**GOVERNMENT OF ASSAM**
**SOIL CONSERVATION DEPARTMENT**
**DISPUR, GUWAHATI-06**

No. E-809558/5, Dated Dispur, 24th July, 2026

From : Additional Secy to the Govt. of Assam
Soil Conservation Department
Dispur, Guwahati-06.

To : The Principal Secretary,
Assam Legislative Assembly,
Dispur, Guwahati-06.

Sub : **Furnishing of reply to the Starred Assembly Question No. 249 to be asked by Shri Sanjay Kishan, MLA**

Sir,

With reference to the subject and letter cited above, I am directed to submit herewith 150 copies of the reply of **Starred Assembly Question No.249** to be asked by Shri Sanjay Kishan, MLA for favour of your kind information and necessary action.

The required enclosures/ annexures of the question has been compiled in PDF file and the same has been uploaded in the Assam Legislative website "www.neva.gov.in".

*Enclo: As stated above*

Yours faithfully,

Digitally signed by
Kanta Lahkar
Date: 24-07-2026
19:21:15

Additional Secy. to the Govt. of Assam
Soil Conservation Department

# অসম বিধান সভা
## তৰা চিহ্নিত প্ৰশ্ন নং: ২৪৯
## উত্তৰ দানৰ তাৰিখ- ২৮-০৭-২০২৬

**বিষয় : গড়াখহনীয়াৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ ।** **শ্ৰী সঞ্জয় কিষান : বিধায়ক**

**মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) নতুনকৈ সৃষ্টি হোৱা মাকুম বিধান সভা সমষ্টিৰ অন্তৰ্গত প্ৰায় ৭টা গাঁও পঞ্চায়তত গড়াখহনীয়াই ভয়াৱহ ৰূপ ধাৰণ কৰিছে । উক্ত অঞ্চলত গড়াখহনীয়াৰ স্থায়ী সমাধানৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিবনে ?

(খ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিশেষ পুঁজিৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ? বিতং ভাৱে জনাব ।

**<u>উত্তৰ</u>**

**মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয় শ্ৰীযুত অশ্বিনী ৰায় সৰকাৰ দেৱে উত্তৰ দিবঃ**

(ক) নবগঠিত মাকুম বিধান সভা সমষ্টিৰ বিভিন্ন অঞ্চলত গড়াখহনীয়াই ধাৰণ কৰা ভয়াবহ ৰূপৰ সন্দৰ্ভত ভূমি সংৰক্ষণ বিভাগ অৱগত । ইতিমধ্যে উক্ত সমষ্টিটোত গোটাঙ্গ গাঁও পঞ্চায়তৰ অন্তৰ্গত নতুন কলিয়াপানী গাঁওত SDMF ৰ অধীনত RCC Porcupine at Kaliyapani নামৰ আঁচনিৰ প্ৰস্তুতি কৰা হৈছে আৰু গুইজান – বালিজান গাঁওত পঞ্চায়তৰ অধীনত ৭ নং গুইজান গাঁওত শ্লুইচ গেট আৰু গুইজান-বালিজান গাঁওত Boulder Rebetment আঁচনিৰ প্ৰস্তুতি কৰা হৈছে । অতি শীঘ্ৰেই এই আঁচনি কেইখন অনুমোদন গৃহিত হ'লে পুঁজি আৱন্টণ সাপেক্ষে কাৰ্য্যকৰী কৰা হ'ব ।

প্ৰশ্নত উল্লেখিত উক্ত গাঁও পঞ্চায়ত অঞ্চলৰ গড়াখহনীয়া এলেকা সমূহৰ স্থায়ী সমাধানৰ বাবে অতি শীঘ্ৰেই বিভাগীয় অভিযন্তা আৰু বিশেষজ্ঞ দলৰ দ্বাৰা গড়াখহনীয়া হোৱা ঠাই সমূহত খহনীয়াৰ প্ৰকোপ আৰু প্ৰকৃতি নিৰ্ধাৰণৰ বাবে এক বিতং কাৰিকৰী জৰীপ চলোৱা হব । এই জৰীপৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি জিঅ-বেগ (Geo-Beg), মঠাউৰি শক্তিশালীকৰণ আৰু প্ৰাকৃতিক সুৰক্ষা কবচ গঢ়ি তোলাৰ বাবে স্থায়ী বিভাগীয় আঁচনি প্ৰস্তুত কৰি পুঁজি আৱন্টণ সাপেক্ষে কাৰ্য্যকৰি কৰা হ'ব ।

(খ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে পুঁজিৰ বাবে যথা বিহিত ব্যৱস্থা লৈ আছে ।

***********